**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 13-12-2025** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

***Headlines***

১। সমগ্ৰ দেশত সংসদ ভৱন আক্ৰমণত ছহিদ হোৱা বীৰসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন।

২। কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী কৃষাণ পাল গুৰ্জ্জৰৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত চতুৰ্থ সমবায় মেলা উদ্বোধন।

৩। গোৱালপাৰাৰ চামাগুৰি গাঁৱত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত চতুৰ্থ ৰাংগালা তথা উৰপদ বিল উৎসৱৰ আজি সামৰণি।

আৰু

৪। গোৱালপাৰা চহৰৰ নতুন বজাৰত যোৱানিশা আৰক্ষীৰ অভিযানত বুজন পৰিমাণৰ ভাংসহ এজন যুৱকক আটক।

০০০০০০০

সমগ্ৰ দেশে আজি সংসদ ভৱন আক্ৰমণ প্ৰতিহত কৰিবলৈ গৈ প্ৰাণ হেৰুওৱা সুৰক্ষা বাহিনীৰ লোক তথা এই আক্ৰমণৰ বলি হোৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই আক্ৰমণত প্ৰাণাহুতি দিয়া সাহসী নিৰাপত্তা বিষয়াসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে দেশৰ জাতীয় ভাৱনাক নিজৰ কৰ্তব্যৰ জৰিয়তে অবিৰতভাৱে দিশ দেখুৱাই যোৱা এই বীৰসকলৰ সাহস আৰু ত্যাগক দেশে অভিবাদন জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে ছহিদ তথা তেওঁলোকৰ পৰিয়ালৰ প্ৰতি দেশ চিৰঋণী হৈ থাকিব বুলিও উল্লেখ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী ড° এল মুৰুগানে ২০০১ চনৰ আজিৰ দিনটোত হোৱা সংসদ ভৱন আক্ৰমণত প্ৰাণাহুতি দিয়া সাহসী নিৰাপত্তা বিষয়াসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। গৃহমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ জৰিয়তে ছহিদসকলে প্ৰদৰ্শন কৰা অদমনীয় সাহস আৰু বীৰত্বক সোঁৱৰণ কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ২০০১ চনৰ সন্ত্ৰাসবাদী আক্ৰমণৰ সময়ছোৱাত নিৰাপত্তা বিষয়াসকলে সংসদ ভৱনক সুৰক্ষা দিবলৈ কিদৰে চেষ্টা কৰিছিল সেই সন্দৰ্ভত আলোকপাত কৰে। তেওঁলোকৰ সাহস, চূড়ান্ত ত্যাগ আৰু অতুলনীয় দায়িত্ব জ্ঞান দেশবাসীয়ে চিৰকাল মনত ৰাখিব বুলি তেওঁ উল্লেখ কৰে। তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যৰ মন্ত্ৰী ড° এল মুৰুগানেও সাহসী সেনানীসকলৰ বীৰত্বই দেশৰ গণতন্ত্ৰক সুৰক্ষা দি সাৰ্বভৌমত্ব বজাই ৰখাত সৰ্বোচ্চ বৰঙণি দি আহিছে বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে ২০০১ চনৰ আজিৰ দিনটোতে সন্ত্ৰাসবাদীয়ে সংসদ ভৱনত আক্ৰমণ চলাইছিল। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় মন্ত্ৰী তথা সংসদৰ সদস্যসকলে আজি সংসদ ভৱন চৌহদত এই আক্ৰমণৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা জনাই পুষ্পাঞ্জলি তৰ্পণ কৰিছে।

0000000

———কেন্দ্ৰীয় সমবায় বিভাগৰ ৰাজ্য মন্ত্ৰী কৃষাণ পাল গুৰ্জ্জৰে আজি গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত  চতুৰ্থ সমবায় মেলা উদ্বোধন কৰে। ১৫ ডিচেম্বৰলৈ চলিবলগীয়া এই মেলাত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সমবায় সমিতিসমূহে অংশগ্ৰহণ কৰিছে। মেলাত হাতে বোৱা কাপোৰ, বাঁহ-বেতেৰে নিৰ্মিত সামগ্ৰী, পানী মেটেকা, মৰাপাটেৰে নিৰ্মিত সামগ্ৰী, কাঁহৰ সামগ্ৰী, পৰম্পৰাগত অসমীয়া গহণা, থলুৱা খাদ্য সম্ভাৰ, টেৰাকোটা সামগ্ৰীকে ধৰি বিবিধ সামগ্ৰী বিক্ৰী আৰু প্ৰদৰ্শন কৰা হৈছে। সমবায় মেলাৰ লগত সংগতি ৰাখি পৰম্পৰাগত সাজ-পাৰ, লোকনৃত্য, সুসজ্জিত বিপণী, সংগীত, কুইজ, তৰ্ক  আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আজিৰ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ সমবায় মন্ত্ৰী যোগেন মহন, কেন্দ্ৰীয় চৰকাৰৰ সমবায় বিভাগৰ জ্যেষ্ঠ বিষয়া আশীষ কুমাৰ ভূটানি, ৰাজ্য চৰকাৰৰ সমবায় বিভাগৰ সচিব অনন্ত লাল জ্ঞানীকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। এই কাৰ্যসূচী সন্দৰ্ভত সমবায় মন্ত্ৰী যোগেন মহনে এইদৰে কয় –

বাইট

00000000

গোৱালপাৰা জিলাৰ চামাগুৰি গাঁৱত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত চতুৰ্থ ৰাংগালা তথা উৰপদ বিল উৎসৱৰ আজি সামৰণি পৰিব। জিলাখনৰ অন্যতম পৰ্যটনস্থলী উৰপদ বিলৰ সংৰক্ষণ আৰু সৌন্দৰ্য বৰ্ধনৰ লগতে গাৰো জনগোষ্ঠীয় লোকসকলৰ কৃষিভিত্তিক উৎসৱ ৰাংগালাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ হকে এই অনুষ্ঠানৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে মেঘালয়, নাগালেণ্ড আৰু অসমত বাস কৰা গাৰো সম্প্ৰদায়ৰ লোকসকলে ৰাংগালা উৎসৱ পালন কৰে। প্ৰতিবছৰে গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত গাৰো জাতীয় পৰিষদৰ উদ্যোগত বিস্তৃত কাৰ্যসূচীৰে ৰাংগালা উৎসৱ পালন কৰা হয়।

0000000

গোৱালপাৰা চহৰৰ নতুন বজাৰত যোৱানিশা আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ ভাংসহ এজন যুৱকক আটক কৰে। গোৱালপাৰা চহৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ব্ৰজেন মেধিৰ নেতৃত্বত আৰক্ষীয়ে নতুন বজাৰত অভিযান চলাই যান-বাহন আৰক্ষীৰ নীৰিক্ষণ কক্ষৰ সমীপৰ পৰাই যুৱকজনক আটক কৰে। ধৃত যুৱকজন মেঘালয়ৰ উত্তৰ গাৰোপাহাৰ জিলাৰ ছিংচাং মমিন বুলি আৰক্ষীয়ে জনাইছে। আৰক্ষীয়ে মমিনৰ পৰা ৫ কিলোগ্ৰামৰো অধিক ভাং জব্দ কৰে।

ইপিনে, দৰং জিলাৰ ধূলাত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱানিশা আৰক্ষীয়ে নিয়মীয়া তালাচীৰ সময়ত ৰৌতাৰ পৰা গুৱাহাটী অভিমুখে আহি থকা এখন বাহনৰ পৰা ৫৪ কিলোগ্ৰামৰো অধিক ভাং জব্দ কৰে। ভাংখিনি ১১ টা বেগত লুকুৱাই অনা হৈছিল। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে ওদালগুৰি জিলাৰ সৰ্বহেৰুওৱা গাঁৱৰ শৰ্মা বড়ো আৰু নৱাবৰ বড়ো নামৰ দুজন লোকক আটক কৰিছে।

0000000

গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ মহিলা চিকিৎসক সকলৰ সংস্থা **সঞ্জিৱনী**ৰ সহযোগত আজি গুৱাহাটী প্ৰেছ ক্লাবত এটা বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা হৈছে। ক্ষন্তেক পূৰ্বে আৰম্ভ হোৱা এই স্বাস্থ্য পৰীক্ষা শিবিৰত সাংবাদিক আৰু সাংবাদিকৰ পৰিয়ালৰ দিনৰ ২ বজালৈ স্বাস্থ্য পৰীক্ষা কৰোৱাব পাৰিব। মেডিচিন, ই এন টি, চকুৰোগ, প্ৰসূতি, শিশুৰোগ, চৰ্মৰোগ, গেষ্ট্ৰ'ল'জি

আদি বিভাগৰ বিশেষজ্ঞ চিকিৎসকসকল এই শিবিৰত আজি উপস্থিত থাকিব বুলি গুৱাহাটী প্ৰেছ ক্লাবৰ তৰফৰ পৰা সদৰি কৰা হৈছে। এই সন্দৰ্ভত গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সাধাৰণ সম্পাদিকা পদ্মিনী হাজৰিকাই এইদৰে কয় –

বাইট

০০০০০০০০

ডিব্ৰুগড়ৰ আমোলাপট্টিত কালি এখন গ্ৰন্থ উন্মোচনী সভাত প্ৰখ্যাত লেখক, সমালোচক আনন্দ বৰমুদৈয়ে বীৰেন গগৈৰ **শিলৰ মুখৰ হাঁহি** শীৰ্ষক এখন কাব্য সংকলন উন্মোচন কৰে। উন্মোচনী ভাষণত ড০ বৰমুদৈয়ে আধুনিক অসমীয়া কবিতাৰ প্ৰতি সৰ্বসাধাৰণ পাঠকৰ অনিহাৰ কাৰণ ব্যাখ্যা কৰে। কবিতাক সৰ্বসাধাৰণৰ মাজলৈ নিবলৈ কবিসকলে কেনে প্ৰচেষ্টা গ্ৰহণ কৰিব লাগিব সেইবিষয়ে তেওঁক পৰামৰ্শ আগবঢ়ায়। এই অনুষ্ঠানত কবি সমালোচক প্ৰকল্পৰঞ্জন ভাগৱতী, সমুদ্ৰ গগৈ, যতীন কোঁৱৰ, ফৰিদা আহমেদকে ধৰি বহু বিশিষ্ট লোক আৰু কাব্য প্ৰেমী উপস্থিত থাকে। ০০০০

০০০০০০০

মঙলদৈৰ গান্ধী ময়দানত কালিৰেপৰা অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই আয়োজন কৰা অসম গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। কালিৰ উদ্বোধনী অনুষ্ঠানত নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকা বিশিষ্ট সাহিত্যিক ইদ্ৰিছ আলীকে ধৰি প্ৰকাশন পৰিষদ আৰু পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে। ড° হিতেশ ডেকাই তেওঁৰ ভাষণত কয়, যে অসমত গ্ৰন্থ আন্দোলনে পঢুৱৈৰ মাজত আশাৰ পৰিৱেশ সৃষ্টি কৰিছে। চলিত বৰ্ষতো ৰাজ্য চৰকাৰে গ্ৰন্থ বৰ্ষ বুলি ঘোষণা কৰি গ্ৰন্থ সংস্কৃতি গঢ়ি তুলিবলৈ কৰা প্ৰয়াস সদায় স্মৰণীয় হৈ ৰ'ব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি  ৫ মিনিটত বঙাইগাঁও জিলাৰ কৃষি বিভাগৰ অধীনত ৰূপায়িত বিভিন্ন আঁচনি সন্দৰ্ভত জিলাখনৰ কৃষি বিষয়া পংকজ কুমাৰ তালুকদাৰৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ বঙাইগাঁও জিলাৰ সংবাদদাতা তেজস ত্ৰিপাঠীয়ে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত শিশুৰ বিকাশ আৰু মহিলাৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰী কাৰ্যসূচী সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত ভাগ ল'ব শিশু বিকাশ প্ৰকল্পৰ ছিপাঝাৰৰ প্ৰকল্প বিষয়া প্ৰণীতা তালুকদাৰ আৰু ৰামপুৰ শিশু বিকাশ প্ৰকল্পৰ প্ৰকল্প বিষয়া গীতা দেৱীয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টীৰাণী ডেকাই। অনুষ্ঠানটিৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী হৈছে আমিনুল ইছলাম।

০০০০০০০

ধুবুৰী জিলাৰ গৌৰীপুৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জ্যোতিপ্ৰসাদ দাসক কালি RESERVE CLOSE কৰা হয়। বিষয়াগৰাকীৰ বিৰুদ্ধে জনগোষ্ঠীয় লোকক হাৰাশাস্তি কৰি দোষীক ৰক্ষণাবেক্ষণ দিয়াৰ

অভিযোগ উত্থাপন হৈছিল। ইয়াৰ পূৰ্বতেও তামাৰহাট থানাত কৰ্তব্যৰত বিষয়াগৰাকীৰ বিৰুদ্ধে একেধৰণৰ অভিযোগ উত্থাপিত হৈছিল। ধুবুৰী জিলা দেশী জনগোষ্ঠী মৰ্চা, অসম দেশী যুৱ-ছাত্ৰ মঞ্চৰ ধেমাজি জিলা সমিতিয়ে আৰক্ষী বিষয়াগৰাকীৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ পাছত কালি জ্যেষ্ঠ আৰক্ষী অধীক্ষকে বিষয়াগৰাকীক RESERVE CLOSE কৰে।

0000000

মংগলদৈৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথত যোৱা নিশা সংঘটিত এটা ফত দুৰ্ঘটনাত এজন চাইকেল আৰোহীৰ মৃত্যু হয়। ভেবাৰঘাট বেচৰকাৰী বাছ আস্থানৰ সমীপত সংঘটিত এই দুৰ্ঘটনাত নিহত যুৱকজন কমাৰপাৰাৰ বিকাশ দাস বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। আজি পুৱা আৰক্ষীয়ে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে মংগলদৈৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

0000000

**সমাপ্ত**